**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-08-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাকসন্ধ্যা আজি ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব। আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ জৰিয়তে সন্ধিয়া ৭ বজাৰ পৰা ৰাষ্ট্ৰপতিৰ ভাষণ পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। হিন্দী আৰু ইংৰাজী ভাষণৰ ঠিক পাছতেই দূৰদৰ্শনৰ আঞ্চলিক কেন্দ্ৰসমূহে নিজ নিজ আঞ্চলিক ভাষাত ৰাষ্ট্ৰপতিৰ ভাষণ সম্প্ৰচাৰ কৰিব। আকাশবাণীত নিশা চাৰে ৯ বজাত ৰাষ্ট্ৰপতি ভাষণৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰা হ'ব।

oooooo

সমগ্ৰ দেশত কাইলৈ ৭৯ সংখ্যক স্বাধীনতা দিৱস উৎসাহ উদ্দীপনাৰে উদ্‌যাপন কৰা হ'ব। স্বাধীনতা দিৱসৰ প্ৰাক্‌ক্ষণত দেশৰ বিভিন্ন প্ৰান্তৰ জনসাধাৰণে হৰ ঘৰ তিৰংগা অভিযানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছে। এই অভিযানৰ অংশ হিচাপে কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি নিজৰ বাসগৃহত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি স্বাধীনতা দিৱসৰ প্ৰাকসন্ধিয়া ৭ বজাত ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব। ইয়াৰ পৰিপ্ৰেক্ষিতত  সন্ধিয়া ৭ বাজি ১০ মিনিটত প্ৰচাৰিত অসমীয়া বাতৰি ৭ বাজি ৫০ মিনিটত প্ৰচাৰ কৰা হ'ব। ৰাষ্ট্ৰপতিৰ ভাষণৰ অসমীয়া ভাষান্তৰ নিশা চাৰে ন বজাত প্ৰচাৰ কৰা হ'ব।

কাইলৈ পুৱা ৭ বজাত লালকিল্লাৰ পৰা স্বাধীনতা দিৱসৰ ৰাষ্ট্ৰীয় কাৰ্যসূচীৰ পোনপটীয়া প্ৰচাৰৰ পৰিপ্ৰেক্ষিতত পুৱা ৭ বাজি ৫ মিনিটত প্ৰচাৰ হ'বলগীয়া অসমীয়া বাতৰি ৬ বাজি ৫০ মিনিটত কৰা হ'ব। একেদৰে এই অনুষ্ঠান প্ৰচাৰৰ বাবে কাইলে পুৱা ৭ বাজি ৫৫ মিনিটৰ উজনি অসমৰ বাতৰি প্ৰচাৰ কৰা নহ'ব।

স্বাধীনতা দিৱস উপলক্ষে কাইলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিল্লীৰ লালকিল্লাৰ প্ৰাচীৰৰ পৰা ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব আৰু এই উদ্‌যাপনত ৰাষ্ট্ৰক নেতৃত্ব দিব।

oooooo

দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱসৰ পূৰ্বে কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি অসমৰ ডিব্ৰুগড় জিলাত **হৰ ঘৰ তিৰংগা** অভিযানৰ শুভাৰম্ভ কৰে। ডিব্ৰুগড় লোকসভা সমষ্টিক প্ৰতিনিধিত্ব কৰা শ্ৰীসোণোৱালে জিলাখনৰ বিজেপিৰ প্ৰাক্তন সভাপতি আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ হৰেন্দ্ৰ নাৰায়ণ দত্ত, বিশিষ্ট লোকশিল্পী ৰামচন্দ্ৰ ছানচনী, ডিব্ৰুগড়ৰ আৰ এছ এছৰ প্ৰতিষ্ঠাপক সভাপতি-জ্যেষ্ঠ অধিবক্তা অসীম দত্তৰ ঘৰলৈ গৈ তেওঁলোকক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে একোখনকৈ ৰাষ্ট্ৰীয় পতাকা উপহাৰ দি এই অভিযানত তেওঁলোকৰ অংশগ্ৰহণৰ বাবে আহ্বান জনায়। তেওঁ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ মনত দেশপ্ৰেমৰ ভাব জগাই তোলাৰ উদ্দেশ্যে তেওঁলোকৰ মাজত ৰাষ্ট্ৰীয় পতাকাও বিতৰণ কৰে।

oooooo

ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানত ৰোগী ভৰ্তি হোৱাৰ সময়ত ১০ হাজাৰ টকা আগধন হিচাপে জমা দিয়াৰ ব্যৱস্থা প্ৰত্যাহাৰ কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পৰামৰ্শ আগবঢ়াইছে। কোকৰাঝাৰত কালি বিজেপিৰ বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰাৰ অন্তত সাংবাদিকে সোধা এটা প্ৰশ্নৰ উত্তৰত ড° শৰ্মাই এই কথা প্ৰকাশ কৰে। প্ৰতিষ্ঠানখনৰ মাচুল বৃদ্ধিৰ সিদ্ধান্তক লৈ ৰাজ্যজুৰি সৃষ্টি হোৱা প্ৰতিক্ৰিয়া সন্দৰ্ভত মত ব্যক্ত কৰি তেওঁ এই বিষয়ত কিছু ভুল বুজাবুজি হোৱা বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে এই সন্দৰ্ভত বৰ্ধিত মাচুল জনসাধাৰণে দিব নালাগে বুলি মন্তব্য কৰি আয়ুষ্মান ভাৰত আৰু আয়ুষ্মান অসম কাৰ্ডত চৰকাৰে এই ধন জমা দিব বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে। মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত এই বিষয়ে স্পষ্ট কৰা হ'ব বুলি ড° শৰ্মাই জানিবলৈ দিয়ে।

ৰাজ্য চৰকাৰে জনজাতি সম্প্ৰদায়ৰ উন্নয়নৰ বাবে অহৰ্নিশে কাম কৰি আছে বুলি প্ৰকাশ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে ট্ৰাইবেল বেল্টৰ সৈতে আপোচ কৰা নহ'ব বুলি মন্তব্য কৰে। তেওঁ ৰাজ্যত কোনো ট্ৰাইবেল বেল্ট ভাঙি দিয়া নহয়, বৰং ৬০০ খন নতুন ট্ৰাইবেল বেল্ট আৰু ব্লক গঠনৰহে প্ৰস্তাৱ দিয়া হৈছে বুলিও স্পষ্ট কৰি দিয়ে।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি নলবাৰী জিলাত বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ১১৪ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া নগৰীয়া পানী যোগান আঁচনি, ৩১ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া ধমধমা দক্ষতা প্ৰশিক্ষণ প্ৰতিষ্ঠান, ৭৭ কোটি টকা ব্যয় সাপেক্ষে ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজিৰ সহায়ত নিৰ্মাণ কৰিবলগীয়া ঘগ্ৰাপাৰ পথ উৰণ সেতু, অসম স্থিতিস্থাপক গ্ৰাম্য সেতু কাৰ্যসূচীৰ অধীনত নিৰ্মাণ কৰিবলগীয়া ৫৯ কোটি টকা ব্যয় সাপেক্ষ ৮ খন দলঙকে ধৰি ২০টা নতুন প্ৰকল্পৰ আজি মুখ্যমন্ত্ৰীয়ে আধাৰশিলা স্থাপন কৰিব। ইয়াৰ লগতে তেওঁ ৬৯ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা বৰকুৰা পথ উৰণ সেতু আৰু ৫০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা গোপাল বজাৰ, বালিতাৰা, চতমা, মিলন বজাৰ উপকেন্দ্ৰকে ধৰি ৭টা উন্নয়ন প্ৰকল্পৰ উদ্বোধন কৰিব।

০০০০০০

শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত কালি হিমোগ্ল'বিন'পেথি আৰু হিমোফেলিয়া চিকিৎসা কেন্দ্ৰ মুকলি কৰা হয়। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অধীনত মুকলি কৰা এই সংহত কেন্দ্ৰটো কালি শিলচৰৰ সাংসদ তথা চিকিৎসা মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ অধ্যক্ষ পৰিমল শুক্লবৈদ্যই আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই চিকিৎসা কেন্দ্ৰৰ জৰিয়তে তেজৰ জটিল ৰোগৰ চিকিৎসাৰ বাবে অত্যাধুনিক পৰীক্ষা-নিৰীক্ষা আৰু দীৰ্ঘম্যাদী চিকিৎসা পৰিকল্পনাৰ জৰিয়তে ৰোগীয়ে দ্ৰুত সেৱা লাভ কৰিব।

০০০০০০

সমাপ্ত